# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 18-07-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

***:::::::::::::::::::::::::::::::::***

১। অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে শিক্ষকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অসম মন্ত্ৰীসভাৰ অনুমোদন।

২। চলিত বছৰৰ অক্টোবৰৰ ভিতৰত ৪০ ৰ পৰা ৫০ হাজাৰ নিযুক্তি পত্ৰ প্ৰদান কৰা হ’ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলৰ সংঘৰ্ষ হোৱা স্থানত আৰক্ষীৰ চোকা পহৰাৰ ব্যৱস্থা।

৪। ৩ বছৰ ধৰি বন্ধ হৈ থকা গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন পুনৰ মুকলিৰ দাবীত সাংস্কৃতিক ঐক্যমঞ্চৰ প্ৰতিবাদ। ৰবীন্দ্ৰ ভৱন পুনৰ নিৰ্মাণৰ বাবে চৰকাৰৰ সুসংগঠিত পৰিকল্পনাৰ আশ্বাস।

*আৰু*

৫। সমাগত বি টি আৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ পৰ্যালোচনা আৰু পৰিকল্পনা বৈঠক।

০০০০

অসম মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে শিক্ষকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনাইছে। ৮৫ হাজাৰ ৫০৯ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই প্ৰকল্পৰ অধীনত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক, তৃতীয়বৰ্গৰ কৰ্মচাৰী তথা নাৰ্ছসকলৰ আবাস গৃহ, চিকিৎসা বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস, জি এন এম হোষ্টেল, ডাইনিং ব্লক, কমিউনিটি হল আদি নিৰ্মাণ কৰা হ’ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি মিছন বসুন্ধৰাৰ অধীনত ভূমি আৱণ্টন, এটি কলি দুটি পাত আঁচনিত বিত্তীয় অনুমোদনকে ধৰি বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্য চৰকাৰৰ ৩৩৬ টা আন্তঃগাঁথনিমূলক প্ৰকল্প, নিগম আৰু পৰিষদৰ ৪৫ টা আন্তঃগাঁথনিমূলক প্ৰকল্প আৰু তিনি হাজাৰ ২৪৭ টা অব্যক্তিগত ন্যায়িক প্ৰতিষ্ঠান তথা ২৮ টা কেন্দ্ৰীয় চৰকাৰৰ বিভাগ আৰু সংস্থাকে ধৰি চাৰি হাজাৰতকৈও অধিক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনোৱা হয়।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

ইপিনে, এটি কলি দুটি পাত আঁচনি ৰূপায়ণৰ বাবে ৩৪২ কোটি টকাৰ বিত্তীয় আৱণ্টনটো মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত যোগ্য বিবেচিত চাহ বাগিচাৰ প্ৰায় সাত লাখ শ্ৰমিক আৰু কৰ্মচাৰীক পাঁচ হাজাৰ টকাৰ একক কিস্তিত এই ধন বিতৰণ কৰা হ’ব। দ্বিতীয় এডভাণ্টেজ আছামত ৰাজ্য চৰকাৰৰ

প্ৰতিশ্ৰুতি অনুসৰি মন্ত্ৰীসভাই লগতে গুৱাহাটীৰ সৰু সজাইত ৫০০ খন বিচনাযুক্ত মেদান্ত চিকিৎসালয়, ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয় আৰু পঞ্চতাৰকাযুক্ত লেমন ট্ৰী হোটেল নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনায়। ৮০০ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্প তিনিটা নিৰ্মাণ কৰা হ'ব আৰু ইয়াৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলৰ বাবে প্ৰায় দুহেজাৰ ৭০০ নিয়োগ সৃষ্টি হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। মন্ত্ৰীসভাৰ বৈঠকত ৰাষ্ট্ৰীয় প্ৰতিবন্ধী অধ্যয়ন বিশ্ববিদ্যালয় স্থাপনৰ বাবে সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰ্যালয়ক ভূমি আৱণ্টন আৰু প্ৰিমীয়াম ৰেহাইৰ ক্ষেত্ৰত অনুমোদন জনোৱা হয়।

০০০০

ৰাজ্যত চলিত বছৰৰ অক্টোবৰৰ ভিতৰত পুনৰ ৪০ ৰ পৰা ৫০ হাজাৰ নিযুক্তি পত্ৰ প্ৰদান কৰা হ্ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। আজি উচ্চতৰ কাৰিকৰী শিক্ষা বিভাগত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি প্ৰদানৰ পাছত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইকথা প্ৰকাশ কৰে। ইয়াৰ জৰিয়তে ৰাজ্যখনত নিযুক্ত ডেৰ লাখতকৈও বৃদ্ধি পাব বুলি ড০ শৰ্মাই উল্লেখ কৰে। আজি নিযুক্তি লাভ কৰাসকলৰ ভিতৰত কাৰিকৰী প্ৰতিষ্ঠানৰ প্ৰৱক্তা পদত ২৩৬ গৰাকী, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰশিক্ষক পদত ৮৫ গৰাকী প্ৰাৰ্থী আছে। ইয়াৰ লগে লগে ৰাজ্যত সৰ্বমুঠ নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ২১ হাজাৰ ১৮২ লৈ বৃদ্ধি পালে।

এই অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে আজি এই প্ৰৱক্তাসকলৰ নিযুক্তিয়ে ৰাজ্যৰ প্ৰযুক্তিগত শিক্ষা খণ্ডত গুৰুত্বপূৰ্ণ উন্নয়ন সাধন কৰিবলৈ সমৰ্থ হ'ব। এই পদক্ষেপে ৰাজ্য চৰকাৰৰ স্বচ্ছতা, মেধা আৰু যোগ্যতাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়াৰ বাবে দৃঢ় সংকল্পক প্ৰতিফলিত কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০

গোৱালপাৰা জিলাৰ পাইকান সংৰক্ষিত বনাঞ্চলত কালি সংঘৰ্ষ হোৱা স্থানৰ পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণত আছে আৰু আৰক্ষীয়ে অঞ্চলটোত চোকা পহৰাৰ ব্যৱস্থা কৰিছে। অসম আৰক্ষীৰ পশ্চিম অসম সংমণ্ডলৰ উপ মহা পৰিদৰ্শক দি. বিজয় কুলিগামে অঞ্চলটোত উপস্থিত হৈ আজি পৰিস্থিতি নিৰীক্ষণ কৰে। অঞ্চলটোত আৰক্ষীৰ ৰেপিড এক্সন ফোৰ্ছ মোতায়েন কৰা হৈছে। কালি আক্ৰমণৰ ঘটনাৰ সৈতে জড়িত ১০ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনাইছে। ইপিনে, আৰক্ষী, বনৰক্ষী আৰু বনাঞ্চলৰ উচ্ছেদিত লোকৰ মাজত লগা সংঘৰ্ষৰ ঘটনা পৰিকল্পিত বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই ঘটনাৰ বাবে বিৰোধী পক্ষৰ লোকে উচতনি দিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ঘটনা সংক্ৰান্তত ৰাজ্য চৰকাৰে ইতিমধ্যে গোচৰ ৰুজু কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে এই ঘটনাৰ আঁৰত কংগ্ৰেছ দলৰ দুগৰাকী নৱ নিৰ্বাচিত জিলা পৰিষদৰ সদস্য জড়িত আছিল বুলি উল্লেখ কৰে। ইপিনে, এই ঘটনাৰ তদন্ত ঘোষণা কৰা হ্ব বুলি ইতিমধ্যে বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ঘোষণা কৰিছে।

অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখিলেশ সিঙেও পাইকানত সংঘটিত হিংসাত্মক ঘটনাৰ সৈতে তৃতীয় শক্তি জড়িত থকা বুলি দাবী কৰিছে। কালি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰি শ্ৰী সিঙে সংবাদ মাধ্যমৰ আগত কয়, যে সমগ্ৰ ঘটনাটোত অশুভ শক্তি সোমাই আছে আৰু কাৰোবাৰ উচটনিতহে এই ঘটনা সংঘটিত হৈছে। আৰক্ষীক আক্ৰমণ কৰা ঘটনা কেতিয়াও সহ্য কৰা নহ'ব বুলি উল্লেখ কৰি তেওঁ কয়, যে ইতিমধ্যে

কেইবাজনকো চিনাক্ত কৰি আটক কৰা হৈছে আৰু ভিডিঅ' ফুটেজ চাই আন সকলকো চিনাক্ত কৰা হ'ব। ঘটনা সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা চাৰিজনৰ তিনিজনে উচ্ছেদিত এলেকাৰ নহয় বুলিও তেওঁ মন্তব্য কৰে।

উল্লেখযোগ্য যে এই ঘটনাত কালি এজন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২৪জন লোক আহত হৈছিল।

০০০০

৩ বছৰ ধৰি বন্ধ হৈ থকা গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন পুনৰ মুকলি কৰাৰ দাবীত আজি সাংস্কৃতিক ঐক্যমঞ্চ অসমে প্ৰতিবাদ সাব্যস্ত কৰে। ঐক্যমঞ্চৰ নেতৃত্বত নাট্যশিল্পী, অভিনেতা, শিল্পী কলাকুশলীসকলে গীতে-মাতে প্ৰতিবাদ সাব্যস্ত কৰি ছমাহৰ ভিতৰত ৰবীন্দ্ৰ ভৱন মুকলি কৰি দিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে কেইবা দশক জুৰি ৰবীন্দ্ৰ ভৱনৰ মঞ্চখন শিল্প সংস্কৃতিৰ ধাৰাবাহিক চৰ্চা আৰু বিকাশৰ ঐতিহ্যপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। এই মঞ্চতেই অসমৰ ভালেসংখ্যক আগশাৰীৰ শিল্পীৰ উত্তৰণ হৈছে। আজি প্ৰতিবাদকাৰী শিল্পীৰ দলটোৱে বিলম্ব নকৰাকৈ আৰু কম ব্যয় সাপেক্ষে ভৱনটো ছমাহৰ ভিতৰত মেৰামতি কৰিবলৈ আহ্বান জনায়। ইপিনে, এই সন্দৰ্ভত সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কয়, যে ৰবীন্দ্ৰ ভৱনটো পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে সুসংগঠিত পৰিকল্পনা গ্ৰহণ কৰিছে আৰু নিয়াৰিকৈ এই কাম কৰাৰ বাবে চৰকাৰক কিছু সময়ৰ প্ৰয়োজন হৈছে। এই পৰিকল্পনা ৰূপায়ণৰ বাবে চৰকাৰ শেষ পৰ্যায়ত উপনীত হৈছে আৰু শীঘ্ৰেই ৰবীন্দ্ৰ ভৱনটো পুনৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০

সমাগত বি টি আৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত সাংগঠনিক কামকাজ আৰু নিৰ্বাচনী প্ৰস্তুতি তীব্ৰতৰ কৰাৰ লক্ষ্যৰে আজি গুৱাহাটীস্থিত ভাৰতীয় জনতাপাৰ্টী, অসম প্ৰদেশৰ মুখ্য কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা আৰু পৰিকল্পনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰৰাজু, প্ৰভাৰী হৰিশ দিবেদীকে ধৰি দলৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

ইপিনে, বি টি আৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি তামুলপুৰৰ অতিৰিক্ত জিলা আয়ুক্তৰ অধ্যক্ষতাত এখন সভা অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে এই পৰিষদীয় নিৰ্বাচনৰ বাবে বিভিন্ন বিভাগৰ পৰা বিষয়া-কৰ্মচাৰীসকলৰ তালিকা প্ৰস্তুত কৰিবলৈ বিভাগীয় বিষয়াসকলক আহ্বান জনায়। উল্লেখযোগ্য যে তামুলপুৰ জিলাৰ পাঁচটা পৰিষদীয় সমষ্টিত ৩৮২ টা ভোটকেন্দ্ৰ আছে। অৱশ্যে ভোটাৰ তালিকা প্ৰকাশ হোৱাৰ পাছত এই সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০

ডিব্ৰুগড়-নতুন দিল্লী-ডিব্ৰুগড় ৰাজধানী এক্সপ্ৰেছ ডিফু ষ্টেচনত ৰখোৱা ব্যৱস্থাৰ কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে যোৱা নিশা এই ব্যৱস্থাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী ৰংহাঙে কয়, যে ডিফু ষ্টেচনত ৰাজধানী এক্সপ্ৰেছখন ৰখোৱাৰ সুবিধা কৰাৰ লগে লগে অঞ্চলটো প্ৰত্যক্ষভাৱে দেশৰ সৈতে সংযুক্ত হ'ল। ক'ভিদৰ সংক্ৰমণৰ সময়ত এই ৰে'লখন ৰখোৱাৰ ব্যৱস্থা বন্ধ কৰি দিয়া হৈছিল। এতিয়াৰে পৰা কাৰ্বি আংলঙৰ ৰাইজৰ যথেষ্ট সুবিধা হ'ব বুলি তেওঁ উল্লেখ কৰে। কালি ডিফু ষ্টেচনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ অমৰ সিং

তিছ’, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ’কে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তামুলপুৰ গোল্ড নামৰ বিশেষ প্ৰকল্পৰ অধীনত আজি জিলাখনৰ কচুবাৰীত এখন ঋণ মেলা অনুষ্ঠিত হয়। জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে এই ঋণ মেলা উদ্বোধন কৰি ব্যৱসায়ীসকলে ঋণ লোৱাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে। তেওঁ বেংকসমূহক ঋণ দিয়াৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনোৱাৰ লগতে ঋণৰ কিস্তিসমূহ সময়মতে পৰিশোধ কৰিবলৈ ব্যৱসায়ীসকলক আহ্বান জনায়। তেওঁ কয়, যে জিলাখনৰ সৰ্বাংগীন উন্নয়নৰ বাবে নিবনুৱা যুৱক-যুৱতী তথা উদ্যোগী পুৰুষ-মহিলা সকলে ঋণ লৈ নিজ নিজ ব্যৱসায় আগবঢ়াই নিয়া উচিত। অসম ৰাজ্যিক জীৱিকা অভিযান, কৃষি, পশুপালন, মীন, হস্ততাঁত, উদ্যোগ আৰু বাণিজ্যকে ধৰি কেইবাটাও বিভাগৰ সহযোগত অনুষ্ঠিত এই ঋণ মেলাত মুঠ ৪৩ কোটি টকাৰ ৯৩১ টা ঋণ মঞ্জুৰ কৰা হয়। এই ঋণ মেলাত ভাৰতীয় ষ্টেট বেংক, কানাড়া, ইউকো, এক্সিছ, অসম গ্ৰামীন বিকাশ বেংককে ধৰি মুঠ ৮টা বেংকে অংশগ্ৰহণ কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ইংৰাজী আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় লেখক আৰুণি কাশ্যপৰ সৈতে এটা কথোপকথন প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰিত হ’বলগীয়া এই কথোপকথনত লেখকগৰাকীৰ সৈতে অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০

হোজাই জিলাত আজি সামগ্ৰী আৰু সেৱাকৰ আৰু বন বিভাগে যুটীয়া অভিযান চলাই ইছলাম নগৰৰ পৰা বহু পৰিমাণৰ অগৰু কাঠ জব্দ কৰে। জব্দ কৰা অগৰু কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ছয় কোটি টকা বুলি বন বিভাগে প্ৰকাশ কৰিছে। কৰ ফাঁকিৰে গোলাঘাট জিলাৰ নাহৰণিৰ পৰা হোজাইৰ ইছলাম নগৰলৈ এই অগৰু কাঠখিনি অনা হৈছিল বুলি আমাৰ হোজাই জিলাৰ সংবাদদাতাই জনাইছে।

০০০০

কামৰূপ জিলাৰ আমিনগাওঁ সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি কামৰূপ জিলা পৰিষদৰ অন্তৰ্গত ৫ খন আঞ্চলিক পঞ্চায়তৰ সদ্য নিৰ্বাচিত সদস্যসকলৰ শপত গ্ৰহণ আৰু প্ৰথমখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যসূচীত জিলাখনৰ ছয়গাওঁ আৰু বনগাওঁ পঞ্চায়তৰ ছগৰাকীকৈ ছয়ানি ৰাণী আঞ্চলিক পঞ্চায়তৰ এঘাৰ গৰাকী, ছমৰীয়াৰ ১৩ গৰাকী আৰু বকোৰ এঘাৰ গৰাকী আঞ্চলিক পঞ্চায়তৰ সদস্যই শপত গ্ৰহণ কৰে। শপত গ্ৰহণৰ পাছত জিলাখনৰ আয়ুক্তগৰাকীয়ে সদ্য নিৰ্বাচিত সদস্যসকলক নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰি পঞ্চায়তীৰাজ ব্যৱস্থাক শক্তিশালী কৰি তোলাৰ মনোভাৱেৰে আগবাঢ়ি যাবলৈ আহ্বান জনায়।

০০০০

**ঃঃ সমাপ্ত ঃঃ**